# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-SEP-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
### Headlines
--------------------

১। সুৰৰ আঁচলেৰে সমন্বয়ৰ পথ গঢ়ি জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কায়িক বিদায়। সোণাপুৰৰ কমাৰকুছিত ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন।
২। প্ৰধানমন্ত্ৰীৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰ শ্ৰদ্ধা নিবেদন। ২১ জাঁই টোপধ্বনিৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি।
৩। শিল্পীগৰাকীৰ পৰিয়ালৰ ইচ্ছা অনুসৰি যোৰহাটত হ'ব ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান।
৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ নতুন দিল্লীত ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান। ***আৰু***
৫। এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ খেলত আজি পাকিস্তান আৰু শ্ৰীলংকা মুখামুখি।

ooooo

লক্ষ লক্ষ অনুৰাগীক কন্দুৱাই আজি অসম ভূমিত সমাধিস্থ হ'ল গানৰ উজ্বল জ্যোতিষ্ক। তেজ মঙহৰ পৃথিৱী নেওচি গুণমুগ্ধসকলৰ পৰা কায়িকভাৱে চিৰ বিদায় লৈছে আপোন শিল্পী জুবিন গাৰ্গে।

**গান ঃ......**

অসমবাসীক শোকাহত কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য আজি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ 'জুবিনক্ষেত্ৰ'ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। অগণিত অনুৰাগীয়ে অশ্ৰু অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক সমস্বৰে **মায়াবিনী** গীত গাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**গান ঃ মায়াবিনী**

আজি দিনৰ প্ৰায় ১১ বজাত বেদ মন্ত্ৰোচ্চাৰণ আৰু গীতাপাঠৰ পৱিত্ৰ পৰিৱেশত শিল্পীগৰাকীৰ অন্তিম সংস্কাৰ আৰম্ভ হয়। অগণন অনুৰাগীয়ে প্ৰখৰ ৰ'দকো নেওচি দচকুত লোতক লৈ শিল্পীগৰাকীৰ অন্তিম বিদায়ৰ ক্ষণ প্ৰত্যক্ষ কৰে।

**বেদ মন্ত্ৰ ...**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, এবছু, আটাছুকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আৱাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

মৰমৰ পুত্ৰক সমাধিস্থলীত শেষবাৰৰ বাবে হেঁপাহ পলুৱাই চাই আৱেগবিহ্বল হৈ পৰে শিল্পীগৰাকীৰ পিতৃ। গানেৰে জগত জিনা স্বামীক একাঁজলি অশ্ৰুৰে অজান দেশলৈ বিদায় দিলে পত্নী গৰিমা গাৰ্গে। জ্যেষ্ঠ ভাতৃক এথোপা ফুলেৰে ভগ্নী পামী বৰঠাকুৰেও বিদায় জনায়। তাৰ পাছত যথাৰীতি ধৰ্মীয় পৰম্পৰাৰে চিতাত তোলা হয় জুবিন গাৰ্গৰ দেহ। ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে।

**গান ঃ মই মৰিম যিদিনা অই**

২১ জাঁই টোপধবনিৰে আৰক্ষীয়েও শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত অগণন লোকৰ জয়ধবনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ'ল গানেৰে জনতাৰ হৃদয়ত ঘৰ সজা শিল্পী জুবিন গাৰ্গ। ইয়াৰ লগে লগে যেন অসমবাসীৰ হৃদয়ৰ আকাশ উকা কৰি গানৰ জ্যোতিষ্ক নিৰ্বাপিত হ'ল। সুৰৰ আঁচল ধৰি বহু দূৰলৈ গুচি গ'ল বিৰল প্ৰতিভা।

ইয়াৰ আগেয়ে যোৱা দুদিন ধৰি গুৱাহাটীৰ সৰুসজাই অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰাণৰ শিল্পীজনক অনুৰাগীয়ে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰাৰ পাছত আজি পুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত নশ্বৰ দেহ পুনৰ সৰুসজাইলৈ অনা হয় আৰু তাৰ পৰা যোৰাবাটৰ সমীপৰ কমাৰকুছিলৈ শোভাযাত্ৰা কৰি লৈ যোৱা হয়। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে শেষকৃত্যৰ পাছত অস্থি সংগ্ৰহ কৰাৰ লগতে সমাধিস্থলীত শিল্পীগৰাকীৰ প্ৰিয় নাহৰ পুলি ৰোপণ কৰে।

শেষকৃত্যত অনুৰাগীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাষ্ট্ৰীয় ঘাইপথ বিয়লি ২ বজালৈ বন্ধ ৰখা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰা তথা শেষকৃত্যৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰে।

জুবিন গাৰ্গৰ পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে আজি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। আজি শিল্পীগৰাকীৰ সন্মানাৰ্থে গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যত সৃষ্টি হোৱা অভূতপূৰ্ব পৰিস্থিতিক লৈ দেশ-বিদেশৰ ভালেমান সংবাদ মাধ্যমে বাতৰি প্ৰচাৰ কৰিছে। তদুপৰি বহু যশস্বী সংগীত তাৰকাই তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। বাংলাদেশৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক মুজাফৰ হুছেইনে জুবিনৰ বিয়োগত অসমবাসীৰ এই আৱেগ অবিশ্বাস্য বুলি এটা লেখা যোগে প্ৰকাশ কৰিছে। দেশৰ এগৰাকী বিশিষ্ট সাংবাদিক ৰবিশ কুমাৰে জুবিন গাৰ্গক অসমৰ অন্তঃসলিলা প্ৰৱাহ বুলি অভিহিত কৰে।

**বাইট ঃ ৰবিশ কুমাৰ**

মায়াৰ পৃথিৱী এৰি আদৰৰ শিল্পীগৰাকী কায়িকভাৱে আঁতৰি গৈছে যদিও সৃষ্টিৰাজী আৰু মানৱতাৰ সংজ্ঞাৰে তেওঁ অসমত চিৰদিন জীয়াই থাকিব।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি শেষকৃত্যৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ জনজীৱন স্থবিৰ হৈ পৰে। সকলো জিলাতে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে দোকান-পোহাৰসমূহো বন্ধ হৈ থাকে। ডিব্ৰুগড় জিলা নালিয়াপুল যুৱ উন্নয়ন পৰিষদে আজি অসম চিকিৎসা মহাবিদ্যালয়ত ৰোগীসকলৰ লগতে আত্মীয়সকলক প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই আহাৰ বিতৰণ কৰে। জিলাখনৰ সদৌ অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ আহ্বানত ১৮৩ খন বাগিছা বন্ধ ৰাখি শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়। প্ৰতিখন চাহ বাগিছাত অসংখ্য শ্ৰমিক ওলাই আহি শিল্পীগৰাকীক অমৰ হওক ধবনি দি আকাশ বতাহ মুখৰিত কৰি তোলে। তেওঁলোকে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত মাল্যাৰ্পন আৰু বন্তি প্ৰজলন কৰি তেওঁ কায়িকভাৱে বিদায় জনায়। উত্তৰ অসম পেট্ৰ'লিয়াম ডিলাৰ্ছ এচোছিয়েছনে আজি প্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগত শ্ৰদ্ধা জনাই পুৱা ৮ বজাৰ পৰা দিনৰ ২ বজা পৰ্যন্ত তেজপুৰৰ সকলো পেট্ৰল পাম্প বন্ধ ৰাখে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আজি বাক্সা জিলাৰ বাহবাৰীত মানস ৰাষ্ট্ৰীয় উদ্যান জীপ চাফাৰী এছোছিয়েছনৰ উদ্যোগত আৰু জুবিন গাৰ্গৰ অনুৰাগীসকলৰ সহযোগত এটা কাৰ ৰেলী উলিওৱা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বিতীয় প্ৰৱেশদ্বাৰত আৰম্ভ হোৱা এই ৰেলী পুনৰ উদ্যানখনৰ বাহবাৰী সংমণ্ডলত সামৰণি পৰে। ৰাজ্যৰ অন্যান্য জিলাতো আজি শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে সৰ্বধৰ্ম প্ৰাৰ্থনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। হিন্দী চলচ্চিত্ৰ টুৱেল্‌ভথ ফে'ললৈ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ হিন্দী চলচ্চিত্ৰ বঁটা কঁঠাললৈ আগবঢ়োৱা হয়। জৱান ছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদান কৰা হয়। মিছেছ্ চেট্টাৰ্জী বনাম নৰৱে শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়। শিল্পা ৰাও আৰু পি ভি এন এছ্ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ বঁটা প্ৰদান কৰা হয়। আনহাতে, বিশিষ্ট চলচ্চিত্ৰ সমালোচক তথা পৰিচালক উৎপল দত্তই অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা গ্ৰহণ কৰে। বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যত পৰিকল্পনা সন্দৰ্ভত আলোকপাত কৰাৰ লগতে চৰকাৰে চলচ্চিত্ৰ ক্ষেত্ৰখনৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে।

ooooo

সমগ্ৰ দেশজুৰি কালিৰে পৰা ৰূপায়ণ হোৱা জি এছ্ টিৰ নতুন সংস্কাৰক সমাজৰ বিভিন্ন প্ৰান্তৰ লোকে আদৰণি জনাইছে। চিকিৎসা সেৱা, শিক্ষা আৰু দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত জি এছ্ টি হ্ৰাস কৰা এই সংস্কাৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সঞ্চয় উৎসৱ বুলি মন্তব্য কৰিছে।

... **ভইচ** ...

ooooo

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৬ খন বিশেষ ৰে'লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ্ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিষাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোড়খপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

ooooo

যোৰহাটত কালি নিশা একাংশ উদণ্ড যুৱকে প্ৰেছ ক্লাব গৃহ ভাঙিবলৈ উদ্যত হোৱা ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তৎপৰতাৰে অভিযান আৰম্ভ কৰিছে। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আজি চন্দন দাস নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে।

ooooo

সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক মুখ্য সম্পাদক শিৱ সোণোৱালৰ আদ্যশ্ৰাদ্ধৰ সৈতে সংগতি ৰাখি আজি এখন স্মৃতি গ্ৰন্থ প্ৰকাশ কৰা হয়। স্মৃতি গ্ৰন্থখন সাংবাদিক মনজিৎ বৰাই মুকলি কৰে। এই উপলক্ষে আয়োজিত সভাত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সদৌ অসম সোণোৱাল কছাৰী নাৰী

সন্থাৰ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি আজি নিশা ৮ বজাত আৰম্ভ হ'ব।  ভাৰত আৰু বাংলাদেশে ইতিমধ্যে ২ পইণ্টতকৈ লাভ কৰিছে যদিও পাকিস্তান আৰু শ্ৰীলংকাই এতিয়াও ছুপাৰ-ফ'ৰত কোনো পইণ্ট লাভ কৰা নাই। ভাৰতৰ হাতত পৰাস্ত হোৱাৰ পাছত পাকিস্তানৰ দলটোৱে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। লীগ পৰ্যায়ৰ তিনিখন খেলত জয়লাভেৰে গ্ৰুপ-বিত শীৰ্ষত থকা শ্ৰীলংকাই ছুপাৰ-ফ'ৰৰ প্ৰথমখন খেলত বাংলাদেশৰ হাতত ৪ উইকেটত পৰাস্ত হৈছিল।

০০০০০

সমাপ্ত